
পূব কামৰূপ কলেজত
বসন্তৰ ধেমালি
সম্পাদক
আছিক আলী
নৱম সংখ্যা, ২০২৩

## ‘পূব কামৰূপ কলেজত বসন্তৰ ধেমালি’ৰ বৰ্তমানলৈ প্ৰকাশিত সংখ্যাৰ সম্পাদকসকল

**প্ৰথম সংখ্যা, ২০১৫**
সম্পাদক ঃ জয়ন্ত ডেকা, নুৰ ইছলাম

**দ্বিতীয় সংখ্যা, ২০১৬**
সম্পাদক ঃ হিমাশ্ৰী শৰ্মা

**তৃতীয় সংখ্যা, ২০১৭**
সম্পাদক ঃ ৰাজকুমাৰ গোস্বামী

**চতুৰ্থ সংখ্যা, ২০১৮**
সম্পাদক ঃ জ্ঞানপ্ৰতীম দেৱ শৰ্মা

**পঞ্চম সংখ্যা, ২০১৯**
সম্পাদক ঃ বেনজিন চুলতানা

**ষষ্ঠ সংখ্যা, ২০২০ (ই-সংস্কৰণ)**
সম্পাদক ঃ ৰ’জী ডেকা

**সপ্তম সংখ্যা, ২০২১**
সম্পাদক ঃ স্বৰ্ণময়ী নাথ

**অষ্টম সংখ্যা, ২০২২**
সম্পাদক ঃ সমীৰণ শৰ্মা

**নৱম সংখ্যা, ২০২৩**
সম্পাদক ঃ আছিক আলী



# পূব কামৰূপ কলেজত
# বসন্তৰ ধেমালি

নৱম সংখ্যা, ২০২৩

প্ৰকাশক
পূব কামৰূপ মহাবিদ্যালয়



হৰ্ষজিৎ কলিতাৰ

## বসন্ত এসে গেছে

শীতৰ ডাঠ কুঁৱলীৰ ওৰণিৰ আঁৰ লৈ প্ৰভাতী পখীৰ গুঞ্জন-কুজনত লাস্যময়ী প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ সৈতে ধৰালৈ অগমন ঘটে বসন্তৰ। বসন্ত মানেই যেন কিবা এটা প্ৰাপ্তি। পৰিৱৰ্তিত ঋতুৰ পোহাৰে শ্যামলীমা কৰা ধৰাত কিবা এটা নতুন উন্মেষৰ নাম বসন্ত। ধুৱলী-ধোঁৱাৰে ক্লেদময় হৈ থকা ধৰাৰ বুকুত শীতাৰ্ত সময় এছোৱাই প্ৰকৃতি জগতৰ হাতত ধৰি ন-ৰূপেৰে উজ্জীৱিত হ’ব ধৰা নতুনৰ চমকনিটোৰ নাম বসন্ত, অপ্ৰাপ্তিৰ হাজাৰ অন্ধকাৰে কক্ষচ্যুত কৰিব নোৱাৰা প্ৰাপ্তিৰ সেউজ বাটটোৰ নাম বসন্ত।

কেতিয়াবা ভাব হয় আমাৰ জীৱনবোৰৰ স’তে বসন্তৰ এটা সাংঘাটিক মিল আছে। মাজে-সময়ে আমাৰ জীৱনলৈও জানো নাহে বৰদৈচিলাৰ তাণ্ডৱ? অথবা সমস্যাই জানো আমাক কৰি নেপেলাই লঠঙা ডালৰ দৰে? অথচ ইমানৰ পাছতো আমি বৈ থাকো অনাগত কিবা এটা ভাললৈ। সকলো শেষ হৈ যোৱাৰ পাছতো ভাল কিবা এটাৰ বাবে বৈ থকাৰ সেই চিৰন্তন শিকনিটো জীৱনক দিছে বসন্তই। লঠঙা হোৱাৰ পাছতো গছ এডালে বুকুত কঢ়িয়াই লৈ ফুৰে এদিন আকৌ জাতিষ্কাৰ হোৱাৰ দূৰন্ত বাসনা! উদগ্ৰ হৈ আহে জীয়াই থকাৰ নিচা, পৃথিৱীক নতুনকৈ চোৱাৰ কৌতূহল! সেইবাবেই কিজানি বসন্তক ভাল পাবলৈ কাৰণ নালাগে। যিয়ে লহপহাই বাঢ়িবলৈ ভাল পায়... ঠিক জীৱনৰ দৰে।



OFFICE OF THE PRINCIPAL
PUB-KAMRUP COLLEGE
P.O.- BAIHATA CHARIALI
DIST.- KAMRUP (ASSAM), PIN- 781381
Phone : 03621-286300

নতুনৰ আবিৰ সানি সন্মুখত ব’হাগ।
ব’হাগ মানেই সৃষ্টি, ব’হাগ মানেই সম্ভাৱনা।

ব’হাগৰ নতুন পাত আৰু ফুলে যেন ইংগিত বহন কৰে ধৰিত্ৰীৰ উৰ্বৰতাৰ। আমাৰ এই ক্ষুদ্ৰ আলোচনী ‘পূব কামৰূপ কলেজত বসন্তৰ ধেমালি’ হৈ থাকক পূব কামৰূপীয়ানৰ উৰ্বৰা মস্তিষ্কৰ এক আভাষ, সৃষ্টিৰ এক আকৰ।

ব’হাগী ওলগ সকলোকে জনালোঁ—

—ড° ভূপেন কুমাৰ শৰ্মা
অধ্যক্ষ, পূব কামৰূপ মহাবিদ্যালয়

**PUB KAMRUP KOLEJOT BOXANTAOR DHEMALI** : A Pocket Magazine in Assamese edited by Asik Ali (Editor), published by Pub Kamrup College and printed at College Press, Pub Kamrup College, Baihata Chariali, PIN- 781381

**প্ৰকাশক ঃ** পূব কামৰূপ মহাবিদ্যালয়

সম্পাদনা সমিতি

**মুখ্য উপদেষ্টা ঃ** ড° ভূপেন কুমাৰ শৰ্মা
**উপদেষ্টা ঃ** নাৰায়ন গোস্বামী
**শিক্ষক সদস্য ঃ** ড° বিপুল ডেকা
**সম্পাদক ঃ** আছিক আলী
**সম্পাদনা সহযোগী ঃ** ফাৰুকুদ্দিন আহমেদ, ডেইজী কাকতি, তৃষ্ণামণি দাস

**বেটুপাত ৰেখাচিত্ৰৰ উৎস ঃ** ইণ্টাৰনেট
**প্ৰকাশ ঃ** বসন্ত, ১৪৩০ ভাস্কৰাব্দ (২০২৩ চন)
**মুদ্ৰণ ঃ** মহাবিদ্যালয় ছপাশাল, পূব কামৰূপ মহাবিদ্যালয়

*এই সংখ্যাৰ ক্ষুদ্ৰ আলোচনীত প্ৰকাশিত লেখাৰ মতামত, তথ্য আদি সংশ্লিষ্ট লেখকসকলৰ সম্পূৰ্ণ ব্যক্তিগত। সম্পাদনা সমিতি ইয়াৰ বাবে দায়ী নহয়।*

— সম্পাদনা সমিতি



## পৰাগজ্যোতি ডেকাৰ

# বসন্তৰ আগজাননী

মোৰ চহৰত এতিয়া বসন্তৰ লুকা-ভাকু। ধৰাত গছ-লতা, ফুলে-ফলে বিলাইছে বসন্ত অহাৰ বতৰা। প্ৰকৃতিয়ে পিন্ধিলে ন-পোছাক। ফাগুনৰ সেই লঠঙা ডালবোৰ ভৰি পৰিল কোমল কুঁহিপাতেৰে। ডেকা-গাভৰুহঁতেও টঙালি বান্ধিলে বাপতি সাহোন ৰঙালী বিহুলৈ বুলি। ব'হাগ মানেই যেন নতুন আশা, নতুন প্ৰত্যাশা।





বিষয় অনুক্ৰম


| | | |
|---|---|---|
| সম্পাদকীয় | ক - খ | |
| **ছন্দ-শিল্প** | | |
| বুকুত আগ-দুপৰৰ চঞ্চল ৰাগিনী | ● ১ | ❖ খগেন তালুকদাৰ |
| বসন্ত? | ● ২ | ❖ ৰক্তিমা দত্ত |
| বসন্তৰ ঠিকনা | ● ৩ | ❖ অজিৎ কলিতা |
| বসন্তৰ কথাৰে | ● ৪ | ❖ ভাষ্যতি শৰ্মা |
| অন্তহীন | ● ৫ | ❖ ফুলস্মিতা নাথ |
| বাসন্তী | ● ৬ | ❖ ড° হৰেকৃষ্ণ হালৈ |
| ফাগুনৰ কাষলতিত টেঙাফুল ফুলিছে | ● ৭ | ❖ নুৰুল আমিন |
| বসন্ত সমীপেষু | ● ৮ | ❖ ফাৰুকুদ্দিন আহমেদ |
| অথবা, হাত | ● ৯ | ❖ জোনাক প্ৰিয়ম কাশ্যপ |
| সংগ্ৰাম | ● ১০ | ❖ ডেইজী কাকতি |
| শুকান পাত | ● ১১ | ❖ ধনজিৎ শৰ্মা |
| বসন্ত-কথা | ● ১২ | ❖ লিজা তালুকদাৰ |
| ভালপোৱা | ● ১৩ | ❖ ৰ'দালি চেতিয়া |
| ওভতনি সুৰ | ● ১৪ | ❖ ড° ববিতা দাস |
| বসন্তৰ ধেমালি | ● ১৫ | ❖ মদন চন্দ্ৰ ডেকা |




বৰ্তমান সময়ত পৰিলক্ষিত হৈছে তাৰ সমান্তৰালভাৱে বিহুৱে অসমীয়া জাতীয় জীৱনক সমৃদ্ধ কৰিছে নে নাই, সেই দিশটো মন কৰিবলগীয়া। এইক্ষেত্ৰত বিহুত ব্যৱহৃত সামগ্ৰীসমূহ থলুৱাভাৱে উৎপাদনৰ ব্যৱস্থা কৰিলে নিশ্চিতভাৱে খাটি খোৱা মানুহো উপকৃত হ'ব। গ্ৰাম্য জীৱনৰ সৰলতাৰ পৰা মুক্ত নোহোৱাকৈ বিহু কিদৰে অধিক সমৃদ্ধ তথা জাতীয় জীৱনৰ বাহকৰূপে গতিশীল কৰিব পৰা যায় তাৰ বাবে চিন্তা-চৰ্চা কৰিব লাগিব। হাজাৰ হাজাৰ যুৱক-যুৱতীৰ প্ৰদৰ্শনেৰে বিহু বিশ্ব দৰবাৰলৈ নিয়াৰ পদক্ষেপ শলাগৰ যোগ্য যদিও ইয়াৰ সমান্তৰালভাৱে বিহুৰ স'তে জড়িত হৈ থকা গ্ৰাম্য অৰ্থনীতিৰ বিকাশৰ দিশতো চৰকাৰে পৰিকল্পনামূলকভাৱে পদক্ষেপ গ্ৰহণ কৰাটো উচিত।

বিহুৱে বহন কৰা ঐতিহ্যৰ শিপা গাঁৱৰ মজিয়াত আছে, পথাৰত আছে। বিহুই সমৃদ্ধ কৰক অসমীয়া জাতীয় জীৱনক, প্ৰকৃতাৰ্থত হৈ থাকক অসমীয়াৰ গণজীৱনৰ সাহ।

ৰ'দ ৰাগিনীৰ

## গণ জীৱনৰ সাহ

কৃষিপ্ৰধান ৰাজ্য হিচাপে অসমৰ তিনিওটা বিহুৱেই পথাৰৰ স'তে, কৃষি জীৱনৰ সৈতে সংপৃক্ত হৈ আছে। সাম্প্ৰতিক সময়ত বিহুৰ প্ৰেক্ষাপটলৈ মন কৰিলে বিহুৱে স্বকীয়তা হেৰুওৱা যেন বোধ হয়। আপাত দৃষ্টিত বিহুৰ আয়োজন তথা উদ্‌যাপনৰ পৰিৱেশ বৃদ্ধি হৈছে যদিও শিপাৰ সৈতে সংলগ্ন হৈ থকা বিহুৰ স্বকীয়তা ক'ৰবাত বিঘ্নিত হৈছে। জাতীয় স্বাভিমানৰ পৰা উদ্‌যাপনৰ প্ৰতিযোগিতাৰ নিগনি দৌৰত আৱদ্ধ এক উৎসৱৰ দৰে বিহুক পৰিণত কৰাটো অপ্ৰিয় হ'লেও সত্য কথা। সময়ৰ পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিতত বিহু পথাৰ এৰি মঞ্চত উঠাটো কিছুক্ষেত্ৰত মানি ল'ব পৰা যায় যদিও সাম্প্ৰতিক সময়ত বহুল মঞ্চৰ প্ৰাদুৰ্ভাৱত বিহুৱে স্বকীয়তাৰ পৰা বিচ্ছিন্ন হোৱাটো খুবেই দুৰ্ভাগ্যজনক। অতীজৰে পৰা বিহু সমন্বয়ৰ বাহক। গাঁও এৰি চহৰলৈ যোৱা সকলো সদস্যক এদিনৰ বাবে হ'লেও একত্ৰিত কৰা উৎসৱ বিহু। চেনেহৰ বিহুৱানখনিৰ সৈতে প্ৰকাশ পোৱা নিভাঁজ প্ৰেম আৰু ভালপোৱা তুলনাবিহীন। জ্যেষ্ঠ-কনিষ্ঠৰ মাজৰ সন্মান আৰু স্নেহৰ স্ৰোতক বোৱাই ৰখাৰ অন্যতম অংশীদাৰ বিহু। পৰিৱৰ্তন সময়ৰ এক লক্ষণ যদিও বিহুক তাৰ মূল দিশবোৰৰ পৰা বৰ্তমানৰ বিশ্বায়নৰ পৰিস্থিতিয়ে আঁতৰাই আনিলে জাতিৰ বাবে অহিতৰ সম্ভাৱনাই অধিক। জাকজমকতা প্ৰদৰ্শনেৰে বিহু উদ্‌যাপনৰ যি অঘোষিত প্ৰতিযোগিতা





বিষয় অনুক্ৰম


| | | |
|---|---|---|
| কাশ্মীৰ | ● ১৬ | ❖ আমিনুল হক |
| বসন্ত-বেথা | ● ১৭ | ❖ জ্ঞানপ্ৰতীম দেৱ শৰ্মা |
| আয়োজন | ● ১৮ | ❖ তৃষ্ণা দত্ত |
| ব'হাগৰ ৰং | ● ১৯ | ❖ প্লাৱিতা দাস |
| ফাগুন আহিলে তেওঁ শিপাই মোৰ বুকুত | ● ২০ | ❖ অপূৰ্ব শৰ্মা |
| বসন্তৰ প্ৰস্তাৱ | ● ২১ | ❖ নিদুস্মিতা ডেকা |
| বসন্তৰ গান | ● ২২ | ❖ চন্দ্ৰামিতা কলিতা |
| পদূলিমুখত ব'হাগ | ● ২৩ | ❖ স্বৰ্ণময়ী নাথ |
| মোক ভাল পাই পেলোৱা | ● ২৪ | ❖ ঋষভ ৰঞ্জন দাস |
| কোন পিনে ব'হাগ | ● ২৫ | ❖ ড° দীপক কোঁৱৰ |
| পুনৰ জনম | ● ২৬ | ❖ ইপ্সিতা উপাসনা |
| জীৱনৰ বাট গছকি | ● ২৭ | ❖ সৌৰভ ৰাজ দত্ত |
| বসন্ত | ● ২৮ | ❖ কল্পনা ভাগৱতী |
| বসন্তৰ আগমন | ● ২৯ | ❖ আব্দুল মজিদ |
| অন্য আকাশ | ● ৩০ | ❖ পাৰ্থ প্ৰতিম শৰ্মা |
| প্ৰেম | ● ৩১ | ❖ ভগৱান তালুকদাৰ |




ড° বৰ্ণালী ডেকাৰ

## হেঁপাহৰ আঁচুৰে বোৱা বিহুৱানখনি

অসমত বাস কৰা সকলো জাতি-জনজাতিৰ লোকৰ গৌৰৱৰ প্ৰতীক গামোচাখনে সকলোকে একতা আৰু মৰমৰ ডোলেৰে বান্ধি ৰাখে। ই অসমীয়া লোক সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। যিকোনো সামাজিক অনুষ্ঠানত সন্মানৰ প্ৰতীক আৰু অসমীয়াৰ জাতীয় উৎসৱ বিহুৰ ই অত্যাৱশ্যকীয় বস্ত্ৰ। পৰম্পৰাগতভাৱে অসমৰ লোকসকলে গা ধোৱাৰ পাছত নিজৰ গাটো শুকান কৰিবলৈ ব্যৱহাৰ কৰা কোমল কপাহী সূতাৰে তৈয়াৰী কোমল বস্ত্ৰখনেই গামোচা। বৰ্তমান সময়ত পাট আৰু মুগা সূতাৰ প্ৰচলন বাঢ়িছে। গামোচাখনিত যিমানখিনি মহানতা সোমাই আছে অসমীয়া মানুহে ব্যৱহাৰ কৰা আন কোনো বস্ত্ৰত তেনে গুণ পাবলৈ নাই। হেমকোষ অভিধানৰ মতে, "গামোচা, গামচা (সং. গাত্ৰ মাৰ্জনী; বং. গামছা) গা ধুই গাৰ পানী টোকা সৰু কাপোৰ, এতেকে তামোল বন্ধা বা মূৰত বন্ধা সৰু কাপোৰ (a towel, a napkin)।" অসম ৰাজ্যত স্থান বিশেষে আৰু মান বিশেষে এই গামোচাখনৰ বিভিন্ন নাম লক্ষ্য কৰা যায়— উকা গামোচা, তিয়নি গামোচা, তেল গামোচা, গাৰিয়লি গামোচা, কঁকাল বন্ধা গামোচা, প্ৰসংগীয়া গামোচা, সাধাৰণ গামোচা, পানী টোকা গামোচা, ফুলাম গামোচা,. বিহুৱান আদি।

সাতদিনীয়াকৈ পালন কৰা জাতীয় উৎসৱ ৰঙালী বিহুৰ প্ৰথম দিনা মানুহ বিহু, সিদিনা অসমীয়া





বিষয় অনুক্ৰম


| | | |
|---|---|---|
| দেহত নাহিলেও মনত এতিয়াও ব'হাগ আছে | ● ৪৮ | ❖ ৰীণা ডেকা |
| বসন্তৰ প্ৰেমিকা | ● ৫১ | ❖ হিমাদ্ৰী ডেকা |
| বন্ধনৰ শিকলিত ৰঙালীৰ ৰহণ | ● ৫২ | ❖ বেনজিন চুলতানা |
| ফাগুনৰ শেষত | ● ৫৪ | ❖ চেবিনা বেগম |
| শূন্য | ● ৫৫ | ❖ ৰশ্মি কলিতা |
| বসন্ত মনত নে বনত | ● ৫৬ | ❖ জিতুমণি কুমাৰ |
| শেষৰটি বসন্ত | ● ৫৭ | ❖ ডেইজী শৰ্মা |
| ঘাটিৰ বেপাৰ, অভিযোগ | ● ৫৮ | ❖ নিয়ৰ প্ৰভাত কলিতা |
| **চিন্তা-শিল্প** | | |
| জাপিৰ কথা | ● ৬০ | ❖ সমীৰণ শৰ্মা |
| অসমৰ জাতীয় উৎসৱ বিহু | ● ৬১ | ❖ নিৰ্মল ৰঞ্জন মজুমদাৰ |
| হেঁপাহৰ আঁচুৰে বোৱা বিহুৱানখনি | ● ৬৪ | ❖ ড° বৰ্ণালী ডেকা |
| গণ জীৱনৰ সাহ | ● ৬৬ | ❖ ৰ'দ ৰাগিনী |
| **অনুভৱৰ পৃষ্ঠা** | | |
| বসন্ত এসে গেছে | ● ৬৮ | ❖ হৰ্ষজিৎ কলিতা |
| বসন্তৰ আগজাননী | ● ৬৯ | ❖ পৰাগজ্যোতি ডেকা |

বিষয় অনুক্ৰম


| | | |
|---|---|---|
| স্থিৰহীনতা | ● ৩২ | ❖ অৰূপজ্যোতি কাকতি |
| বসন্ত | ● ৩৩ | ❖ কৃষ্ণামণি কলিতা |
| জীৱনৰ দলিচা | ● ৩৪ | ❖ ডলীশ্ৰী নাথ |
| বসন্ত | ● ৩৫ | ❖ মানস প্ৰতিম বৰুৱা |
| ধেমালিবোৰ যদি | ● ৩৬ | ❖ হৃদয়ানন্দ কলিতা |
| ময়েইতো ব'হাগ | ● ৩৭ | ❖ পুষ্পেন্দ্ৰ কুমাৰ শৰ্ম্মা |
| ভালপোৱা | ● ৩৮ | ❖ চুমি কলিতা |
| সপোন | ● ৩৯ | ❖ ড° বিপুল ডেকা |
| এব'হাগ প্ৰেম | ● ৪০ | ❖ নিপজ্যোতি ডেকা |
| বসন্ত | ● ৪১ | ❖ ৰিছা দাস |
| ব'হাগ | ● ৪২ | ❖ পৰাগ শৰ্মা |
| ফাগুনী পলাশ | ● ৪৩ | ❖ ড° নৃপেন্দ্ৰ নাথ তালুকদাৰ |
| লিমাৰিক | ● ৪৪ | ❖ ড° খগেশ সেন ডেকা |
| **কথা-শিল্প** | | |
| বসন্তৰ কথা-অকথা | ● ৪৫ | ❖ তৃষ্ণা দাস |
| কথোপকথন | ● ৪৭ | ❖ প্ৰিয়ংকা কাকতি |




সমাজত বিহুৱান দিয়াৰ প্ৰথা প্ৰচলন আছে। জপাৰ ভিতৰত সাঁচি ৰখা উকা গামোচা, পখৰা গামোচা, তিয়নি গামোচা, ফুলাম গামোচা আদিবোৰ উলিয়াই আনি পানীত তিয়াই ৰ'দত শুকুৱাই নিজে স্পৰ্শ নকৰাকৈ পৰিয়ালৰ আটাইবোৰ মানুহক উপহাৰ দিয়ে। এইখন বস্ত্ৰকে অসমীয়া লোকে বিহুৱান বুলি কয়। শব্দটিৰ অৰ্থলৈ লক্ষ্য কৰিলে ক'ব পৰা যায় যে বিহু উপলক্ষে আনক দিয়া বস্ত্ৰ বিহুৱান। ৰঙালী বিহুৰ বতৰত এজনে আনজনক মৰমেৰে দিয়া ভমকাফুলীয়া ফুলাম গামোচাখনেহে বিহুৱানৰ ছবিখন দখল কৰি আছে। অসমীয়া মহিলাসকলে মাঘ-ফাগুন মাহৰ পৰা তাঁতশালত কাপোৰ বোৱা কাম আৰম্ভ কৰে আৰু চ'ত মাহ শেষ হোৱাৰ আগদিনা বোৱা কাম শেষ কৰে। ভমকাফুলীয়া গামোচাই শিপিনীগৰাকীক বোৱনত কাজী বুলি পৰিচয় দিয়ে। কিন্তু প্ৰকৃততে ন-জোঁৱাই, ন-কইনালৈ দিয়া কাপোৰসাজ, তেওঁলোকৰ পৰিয়ালৰ সদস্যলৈ যোগাৰ কৰি ৰখা বজাৰৰ কাপোৰেও বৰ্তমান বিহুৱানৰ স্থান নোলোৱা নহয়। প্ৰেয়সীয়ে সকলোতকৈ ধুনীয়া প্ৰেমিকলৈ লুকাই-চুৰকৈ বোৱা ফুলাম গামোচাখনৰ সমান বিহুৱান অসমীয়া জাতিৰ বাবে আন বস্তু হ'ব পাৰে জানো?

মৰমৰ দীঘ দি চেনেহৰে বাণি বৈ<br>
হেঁপাহৰ আঁচুৰে বোৱা<br>
সপোনৰ ফুলেৰে মোৰ বিহুৱান<br>
মনে দি এবেলি যোৱা।





# সম্পাদকীয়ৰ পৰিৱৰ্তে

ৰজা দুষ্যন্তই যেতিয়া অসুৰবিলাকক হৰুৱাই স্বৰ্গত শান্তি প্ৰতিষ্ঠা কৰি মৰ্ত্যলৈ নামি আহিছিল সেই ক্ষণত তেওঁ আনন্দিত হৈ কৈ উঠিছিল— “আমাৰ পৃথিৱীখন কেনে শুৱনি।” এই শুৱনি পৃথিৱীৰ মোহত গ্ৰস্থ হৈয়ে ৰবীন্দ্ৰনাথে ‘প্ৰাণ’ কবিতাটোত লিখিছিল— “মৰিতে চাহি না আমি সুন্দৰ ভুবনে/ মানবেৰ মাঝে বাচিবাৰ চাই...।” পৃথিৱীৰ সত্য বুজিবলৈ সমৰ্থ হোৱা ৰবীন্দ্ৰনাথে আনকি এইদৰে কৈছিল— “স্বৰ্গ আমাৰ জন্ম নিল মাটি মায়েৰ কোলে।” এই শুৱনি/ সুন্দৰ পৃথিৱীৰ সুশ্ৰী ৰূপেই বসন্ত। ইয়াৰ প্ৰাকৃতিক আবেদন অতুলনীয়। এই বসন্তক ধৰি ৰখাৰ ব্যৰ্থ প্ৰয়াসৰ নামান্তৰেই মাথোন — ‘পূব কামৰূপ কলেজত বসন্তৰ ধেমালি’।





কিন্তু বলিনাৰায়ণ বৰাৰ পূৰ্বেও এগৰাকী লোকে ৰঙালী বিহু অসমৰ জাতীয় উৎসৱ হ'ব পাৰে বুলি লিখিত মন্তব্য কৰাৰ কথাও জানিব পৰা যায়। ৰামকুমাৰ বিদ্যাৰত্ন নামেৰে এগৰাকী ব্ৰাহ্ম ধৰ্মৰ প্ৰচাৰক সেইসময়ত বহুবাৰ অসম ভ্ৰমণলৈ আহিছিল আৰু বংগদেশৰ সেই লোকগৰাকীয়ে স্বঅভিজ্ঞতাৰে ‘উদাসীন সত্যশ্ৰৱাৰ আসাম ভ্ৰমণ’ নামেৰে এখন বাংলা ভাষাৰ কিতাপো প্ৰণয়ন কৰিছিল। ১৮৮১ চনত প্ৰকাশিত উক্ত কিতাপখনত ধৰ্মপ্ৰচাৰক ৰামকুমাৰে বিহুৰ প্ৰতি অসমীয়াৰ আকুলতা দেখি বিশেষকৈ ৰঙালী বিহুক যে জাতীয় উৎসৱ বুলিব পাৰি সেই কথা উল্লেখ কৰিছিল। অৱশ্যে বিহুৰ লগত সংলগ্ন হৈ থকা যৌনতাৰ দিশটো তেওঁৰ চকুতো যে ধৰা পৰিছিল সেই কথাও কিতাপখনতে উল্লেখ আছে। যি হওক, এনে বহু বাধা-বন্ধন নেওচি বিহু অসমৰ জাতীয় উৎসৱত পৰিণত হ'ল, ইয়াক জাতীয় উৎসৱ বুলি সকলোৱে মানি ল'লে। আনকি যৌনতাৰ পয়োভৰৰ বাবে একালত নিষিদ্ধ-নিন্দিত বিহুগীত, বিহু নাচেই সময়ৰ সোঁতত পৰিষ্কাৰ ৰূপত পথাৰৰ পৰা আহি মঞ্চত স্থান পালে। আনকি এই বিহুগীত-নাচ বিশ্ববাসীৰ আগত বিশেষভাৱে প্ৰদৰ্শন কৰি বিশ্ব ৰেকৰ্ড গঢ়াৰ প্ৰয়াসো কৰা হ'ল। মুঠতে বিহু হৈ পৰিল অসমীয়াৰ পৰিচয়, অসমীয়া জাতিৰ আয়ুস ৰেখা। সেয়েহে বিহু আমাৰ জাতীয় উৎসৱো।

**তথ্য উৎস ঃ**


অসমীয়া জন- সাহিত্য/ প্ৰফুল্ল দত্ত গোস্বামী/বাণী প্ৰকাশ/ ১৯৯৪ চন।

সমাজ সংস্কৃতি ইতিহাস / প্ৰসেনজিৎ চৌধুৰী / অসম প্ৰকাশন পৰিষদ / ২০০৭ চন।

অসমীয়াৰ জাতীয় উৎসৱৰ মান পোৱা বিহু অসমীয়াৰ বাপতি সাহোন। অসমৰ জনজীৱনত এৰাব নোৱাৰাকৈ বান্ধ খাই থকা তিনিটি বিহুৰ ভিতৰত ব'হাগৰ ৰঙালী বিহুৰ মাদকতাই সুকীয়া। ই যেন প্ৰকৃতি আইৰ উৎসৱ, উৰ্বৰা-উৎসৱ, ডেকা-গাভৰুৰ প্ৰেম নিবেদনৰ উৎসৱ, ৰঙ-আনন্দৰ উৎসৱ। সেয়েহে ব'হাগৰ বিহু 'ৰঙালী'। 'আচলতে ব'হাগ বিহু ঋতু উৎসৱহে (Fertility festival)' বুলি হেম বৰুৱাই কোৱা কথাষাৰতেই যেন ব'হাগ বিহুৰ বৈশিষ্ট্য সৰলকৈ প্ৰকাশ পাইছে।


আজিৰ দিনত অবিশ্বাস্য যেন লাগিলেও এইয়াও সত্য যে অসমীয়াৰ আমঠুসদৃশ এই বিহুটিয়েও একালত বহু প্ৰতিঘাতৰ সন্মুখীন হ'বলগীয়া হৈছিল। আকৌ এনে লাঞ্চনাৰ লগত ঘটনাক্ৰমে জড়িত হৈ পৰিছিল উচ্চশিক্ষাৰে শিক্ষিত একো একোগৰাকী মহান অসমীয়া। এই ক্ষেত্ৰত হলিৰাম ঢেকিয়াল ফুকনৰ কথাও প্ৰসংগক্ৰমে আহি পৰে। ১৮২৯ চনত তেখেতে হেনো বিহুগীতত স্থান পোৱা যৌনতাক অশোভন, কুৰুচিপূৰ্ণ বুলি মত পোষণ কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকন, কমলাকান্ত ভট্টাচাৰ্যৰ লেখীয়া লোকেও বিহুক নিষিদ্ধকৰণৰ পোষকতা কৰাৰ কথা কিতাপে পত্ৰই পঢ়িবলৈ পোৱা যায়। তদানীন্তন সমাজৰ এনে বহুজনৰ বাবেই বিহু হৈ পৰিছিল এলাগী তথা এক নিষিদ্ধ পৰম্পৰা। এনে সামাজিক প্ৰেক্ষাপটতেই আকৌ বলিনাৰায়ণ বৰাৰ দৰে বিলাত-ফেৰৎ অভিযন্তাই বিহুৰেই অসমৰ জাতীয় উৎসৱৰ মৰ্যাদা পাব লাগে বুলি ১৮৮৫ চনতেই মত পোষণ কৰিছিল। ৰজনীকান্ত বৰদলৈয়ে ১৮৯৫ চনতেই লিখা 'মিৰি জীয়ৰী'ত বিহুক স্থান দিছিল।





এইবেলি আমাৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছিল 'পূব কামৰূপ কলেজত বসন্তৰ ধেমালি' সম্পাদনাৰ। উৎসাহিত হৈ কামটো হাতত লৈছিলোঁ যদিও প্ৰান্তত উপনীত হৈ অনুভৱ কৰিছোঁ পূব কামৰূপীয়ানে সৃষ্টিশীল ক্ষেত্ৰত নিজকে কিছু পৰিমাণে হ'লেও উন্নত কৰাৰ প্ৰয়োজন আছে, প্ৰয়োজন আছে অনুভৱক এক পৰিমিত শৈলীৰে ৰূপান্তৰকৰণৰ। অধ্যয়ন আৰু অধ্যৱসায়ে এই দিশটোক সমৰ্থ যোগাব পাৰিব বুলি মই নিশ্চিত। ক্ষুদ্ৰ আলোচনী এখন উন্নত মানৰ হোৱাকৈ প্ৰকাশৰ পথলৈ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যথেষ্ট চিন্তন-মননৰ আৱশ্যক, তাৰ অভাৱ নিজৰ ওচৰত বাৰুকৈয়ে অনুভৱ কৰিছোঁ। বসন্তৰ প্ৰাকৃতিক আবেদন তথা তাৰ স'তে সংগতি ৰাখি আমালৈ অনুভৱী হৃদয়ৰ দস্তাবেজস্বৰূপ সৃষ্টিশীল লেখাসমূহ যথাসময়ত প্ৰেৰণ কৰাত কৃতজ্ঞতা জনাইছোঁ। সম্পাদনা সমিতিলৈ বিশেষ ধন্যবাদ। ৰক্তিমা বা, ভাষ্যতি বা, নিপ দা আৰু জিতেন খুড়াৰ আন্তৰিক সহায়ৰ শলাগ লৈছোঁ।

চৰৈৱতি চৰৈৱতি



**সম্পাদক**





**সমীৰণ শৰ্মাৰ**

## জাপিৰ কথা

অসমীয়া সমাজত অতীজৰে পৰা জাপিয়ে বিশেষ স্থান অধিকাৰ কৰি আহিছে। জাপি অসমীয়া সমাজৰ এক আপুৰুগীয়া সম্পদ। অসমীয়া বাঁহ-বেতৰ শিল্পীৰ হাতৰ পৰশত জাপিয়ে প্ৰাণ পাই উঠে। জাপি সজাৰ ঘাই উপকৰণ হ'ল বাঁহ-বেত, টকৌ গছৰ পাত ইত্যাদি। কোনো পণ্ডিতৰ মতে চীন দেশত প্ৰথমে জাপিৰ প্ৰচলন হৈছিল। 'জাপ' ধাতুৰ পৰাই 'জাপি' শব্দটো অহা বুলি কোৱা হয়। আন কোনোৱে বড়োমূলীয় শব্দ 'জেপ-জাপ'ৰ পৰা 'জপা' আৰু তাৰ পাছত জাপি শব্দটোৰ উৎপত্তি হোৱা বুলি কয়। সাধাৰণতে জাপিৰ ভাগ দুটা— ৰহদৈয়া আৰু সৰুদৈয়া। কোনো কোনোৰ মতে জাপিৰ ভাগ আকৌ এনে ধৰণৰ— সৰু জাপি, বৰজাপি, পিঠা জাপি আৰু কপ্তা জাপি। কৃষকসকলে পথাৰত কাম কৰিবলৈ হালোৱা জাপি ব্যৱহাৰ কৰে। হালোৱা জাপিৰ পৰাই ফুলাম জাপিৰ সৃষ্টি হৈছিল। আহোম ৰাজত্ব কালত ডা-ডাঙৰীয়াসকলে নিজৰ নিজৰ পদমৰ্যাদা অনুসৰি জাপিৰ ব্যৱহাৰ কৰাৰ কথা জনা যায়। বিহুগীতবোৰত জাপিৰ লগত জড়িত বিভিন্ন নাম উল্লেখ আছে। তদুপৰি বিহু নৃত্যতো জাপিৰ ব্যৱহাৰ কৰা হয়। বিহুৰ লগতে সভা-সমিতিত সম্বৰ্দ্ধনা জনাবলৈ, বিয়া-সবাহ, উৎসৱ-পাৰ্বণ আদিত জাপি ব্যৱহাৰ কৰা হয়। অসমৰ পলাশবাৰী আৰু নলবাৰীৰ জাপি সকলোতে সমাদৃত। তদুপৰি তেজপুৰৰ ওচৰৰ বেবেজীয়াৰ জাপি, সজীয়া গাঁও, নগাঁও আৰু লক্ষীমপুৰৰ জাপি শিল্পৰ এক বিশেষ স্থান আছে। ই বিশ্বৰ বিভিন্ন প্ৰান্তত সমাদৃত।





**খগেন তালুকদাৰৰ**

## বুকুত আগ-দুপৰৰ চঞ্চল ৰাগিনী

ব'হাগত বতাহে বাঁহী বজালে
উদং গছে বুকুত মেৰিয়ায় কুঁহিপাতৰ ৰিহা
চৰাইৰ কিৰিলিত নাচে কঁকাল-ভগা নাচ
তাঁতশালত সপোনৰ দীঘ-বাণি
বুকুত আগ-দুপৰৰ চঞ্চল ৰাগিনী।



*এয়া বিহুৰ বতৰ। নাহৰ ফুল ফুলাৰ বতৰ। নাহৰ ফুলৰ গোন্ধ পাই লাহৰীৰ গাত তৎ হেৰোৱাৰ বতৰ। ঢাপত ভেবেলী লতা ফুলাৰ, চালত মাধৈ-মালতী শুকুৱাৰ আৰু দেউতাৰ পদূলিত মাধুৰী গোন্ধায় কেতেকী মলেমোলোৱাৰ বতৰ। নৈত ন-পানী বঢ়াৰ, ডেকা ল'ৰাৰ কড়ি খেল পতাৰ, ঢোল-পেঁপাই গিৰ্‌গিৰাই থকাৰ বতৰ! এয়া ঢোলত চাপৰ মাৰি ঢুলীয়া ওলোৱাৰ, মূৰত গুটি ফুলৰ গামোছা মাৰি নাচনীয়ে পখিলা উৰাদি উৰাৰ বতৰ। আগলি বাহৰ লাহৰী গগনা বজাই তাঁতৰ পাটত উলটি-উভতি দোৰপতি মৰাৰ, পেঁপাৰ টিহিটি ট-ল-ল শুনি মন উৰুঙা হৈ হাতৰ বন সৰি যোৱাৰ বতৰ। সৰুটি পিলিঙাই সাজি দিয়া টকা লৈ বিহু মাৰিবলৈ যোৱাৰ বতৰ, গা সাতখন-আঠখন কৰাৰ, মন কমোৱা তুলা উৰাদি উৰাৰ বতৰ।*

— ড° লীলা গগৈ

**'বিহু — এটি সমীক্ষা'**



**নিৰ্মল ৰঞ্জন মজুমদাৰৰ**

## অসমৰ জাতীয় উৎসৱ বিহু

প্ৰকৃতি পৰিৱৰ্তনশীল। প্ৰতিটো ঋতুতেই প্ৰকৃতিয়ে ভিন ভিন পোছাক পৰিধানেৰে যেন ধৰা দিয়ে ভিন ভিন বিনন্দীয়া ৰূপত। বসন্ত ঋতুৰ আগমনে প্ৰকৃতিলৈ আনে এক সৌন্দৰ্যময় পৰিৱৰ্তনৰ লহৰ। এই কালচোৱাত প্ৰকৃতিলৈ অহা ন-ৰূপে মানুহৰ মনলৈও কঢ়িয়াই আনে অনাবিল সুখানুভুতি, অবুজ আনন্দ, আৰু সৃষ্টিৰ বাসনা। মানৱ মনত দোলা দিয়া এই আনন্দই উৎসৱৰ ৰূপত বহিঃপ্ৰকাশ ঘটে। বিশ্বৰ ভিন্ন প্ৰান্তত অতীজৰে পৰা পৰম্পৰাগতভাৱে চলি অহা বসন্তকালীন উৎসৱসমূহৰ পাতনিৰ আঁৰৰ ইয়ো এক সৰল কাৰণ।

অসমৰ বসন্তকালীন উৎসৱ বুলিলে ব'হাগ বিহুৰ কথাই মনলৈ আহে। অসমৰ চৌপাশ হাবি-বননি বিভিন্ন গছ-বন, তৰু-লতাৰে ভৰপূৰ। কুলি-কেতেকীৰ কাকলিৰে মুখৰিত হৈ পৰে চৌদিশ; নাহৰ, তগৰ, চম্পা, মালতী, কপৌ আদি ফুলৰ সুগন্ধিৰে ভৰি পৰে অসমৰ বন-উপবনসমূহ। ব'হাগে প্ৰকৃতিলৈ অনা এই নৱৰূপৰ মাজতেই থাকে সৃষ্টিৰ মধুৰ প্ৰতিশ্ৰুতি। বসন্তৰ পৰশত পল্লৱিত কৃষ্ণচূড়া, পলাশ-শিমলুৱে নীলাকাশত ৰঙৰ জুই জ্বলোৱাৰ সময়তে, প্ৰকৃতিয়ে শ্যামলী আৱৰণেৰে ওৰণি লোৱাৰ সময়তে অসমৰ জাতি-উপজাতি, জনজাতিয়ে অতীজৰপৰাই পালন কৰি আহিছে অসমৰ বাপতি সাহোন, ঋতুকালীন তথা প্ৰকৃতিৰ উৎসৱ এই ৰঙালী বিহু।





**ৰক্তিমা দত্তৰ**

## বসন্ত?

এনেই মোৰ ভাৰাক্ৰান্ত উশাহ
কোনো ঋতুতেই শাঁত নপৰা কলিজা

ধূলিৰে পোত গৈ আছে চকুৰ পতা
কোন বাটেৰে বসন্ত আহিছে
মণিব পৰা নাই

তথাপিও
গুণগুনাই আছে মৌ-মাখি

বুকুৰ ভিতৰখন কুৰুকি চালোঁ
নিতাল মাৰি শুই আছে কবিতা
থাকক
নজগাবা!





## অভিযোগ

## (মূল ঃ উলহনা)

"ঐ কুকুৰ, তই আমাৰ পৰা ব্লেকৰ সমান দামেই ল'লি, তথাপি ইমান ফাল্টু পেট্ৰ'ল চাপ্লাই দিছ! চাল্লা, এখন দোকানো নজ্বলিল।"



### নিয়ৰ প্ৰভাত কলিতাৰ

**ছাদাত হাছান মাণ্টোৰ (১৯১২-১৯৫৫) দুটা লঘু কথাৰ অনুবাদ ঃ**

## ঘাটিৰ বেপাৰ

## (মূল ঃ ঘাটে কা ছৌদা)

দহ-বিছজনী ছোৱালীৰ মাজত দুই বন্ধুৱে মিলি এজনী ছোৱালী পছন্দ কৰিলে আৰু বিয়াল্লিছ টকা দি কিনি আনিলে।

তাইৰ লগত শুই থকা বন্ধুজনে শেষৰাতি তাইক সুধিলে, "তোৰ নাম কি?" ছোৱালীজনীয়ে নামটো কোৱাত সি থতমত খাই উঠিল। "আমাকতো বজাৰত তই বেলেগ ধৰ্মৰ বুলি কৈছিল।"
তাই উদাসীনভাৱে উত্তৰ দিলে, "মিছা কৈছিল।"

কথাষাৰ শুনিয়েই সি বাহিৰত চিগাৰেট হুপি থকা বন্ধুজনৰ ওচৰলৈ হাবাথুৰি খাই দৌৰি গ'ল, "ঐ, সেই চুৰাৰ বাৎচাই আমাক ঠগালে। আমাৰ ধৰ্মৰে ছোৱালী এটা দি পঠিয়াইছে। ব'ল, জল্দী ব'ল, ওভতাই দি থৈ আহোঁ।"





### অজিৎ কলিতাৰ

## বসন্তৰ ঠিকনা

ভৰুণ নদীখনে ৰং সলাইছে
আধাপোৰা সেউজীয়াৰ ধূসৰ দৃষ্টিত
বসন্তৰ বতাহজাকে মোৰ সলাইছে
সীমনাৰ পৰা
শগুণটোৱে যে বৈ আছে
সৰু ছোৱালীজনীক







### জিতুমণি কুমাৰৰ

## বসন্ত মনত নে বনত

বনে বনে কুঁহিপাত, বনে বনে কুলিৰ মাত, হৃদয়ত গুণ গুণ ৰুনজুন নূপুৰ বাই বুকুৰ বেদনাবোৰে আকৌ এবাৰ উমিয়ায়। শুকাই যোৱা কলিজাত আকৌ এবাৰ প্ৰাণ পায় ব'হাগ। বাৰে বাৰে অগা-দেৱা কৰে হেৰোৱা বসন্তৰ সুবাসে। সপোনবোৰে আবিৰ ছটিয়াই আকৌ বাউলি মাতে তুমি নাহিবা বুলি জানিও কাৰণতে-অকাৰণতে।





### ফুলস্মিতা নাথৰ

## অন্তহীন

হাজাৰবাৰ মৰিও মই জী থাকোঁ।
পুৰণি বতাহত দুচকু গুজি,
হেৰায়ো হেৰাই নোযোৱা মাত আৰু জোনৰ আচলত
ৰুগ্ন গোলাপৰ পাহত...
জাপি কুচি থওঁ সেই জীয়া আলাপ।
জানোচা উভতি যায় ঘুৰি নহা বাটেৰে।

অতবোৰ শীৰ্ণ সাধুৰ শেষতো
এয়া যেন ভালপোৱাৰ ৰ'দ
গালে-মুখে সানি থও ওৰেটো ঋতুলৈ
বসন্ত শেষ হ'লেই জানোচা গুচি যায় সকলো।

বুজিও নিজক সোধো
ক'ত মোৰ যাতনাৰ সমাধি
অত বিৰহতো মই নাকান্দো
এয়া যে উদযাপন
নিজৰ স'তে, নিজৰ বাবে...।

## ভাষ্যতি শৰ্মাৰ
# বসন্তৰ কথাৰে



সেউজীয়া আখৰবোৰে গছৰ লঠঙা ডালত
এটা নতুন কাহিনী লিখে
নৈৰ ঘাটত তেওঁ বিহুলৈ বুলি আখৰা কৰে।

জেতুকাৰ কেঁচা গোন্ধটি বুকুত সামৰিব খোজোতে
তেওঁ আহি দুহাতত বোলাই দিয়ে
বসন্তৰ সেউজীয়া ৰং।





## ডেইজী শৰ্মাৰ
# শেষৰটি বসন্ত

কোনোমতে দীঘল উশাহটো টানি নিৰ্মল ককাই কংকণক চিঞৰিব ধৰিছে। হয়তো আইতাৰ আকৌ কিবা হ'ল। পঁচিশ বছৰীয়া জীৱন সংগীজনীৰ বাহিৰে ককাৰ আছেনো কোন? ভালপোৱাৰ প্ৰতিশ্ৰুতিৰ নামত কিমানটা যে বসন্ত পাৰ কৰিলে দুয়োজনে একেলগে!

ঃ আইতাৰেৰ অৱস্থা ভাল নহয়, ডাক্তৰৰ দ্বাৰা নহ'বগৈ। যাচোন কংকণ, সৌ নদীৰ পাৰৰ পৰা পলাশৰ কলি দুটাকে লৈ আহ। আইতাৰে মই গুজি দিয়া এটি পলাশৰ কলিৰ অবিহনে শেষৰটি বসন্ত বিদায় নিদিয়ে।

কংকণ আচৰিত হ'ল যদিও চকুকেইটাৰে চাও নাচাওকৈ দুঘণ্টা ধৰি ৰৈ আইতাই ককাই দিয়া পলাশৰ ফুলপাহ খোপাত গুজি লৈ জীৱনৰ বসন্তৰ পৰা বিদায় মাগিলে।





## ড° হৰেকৃষ্ণ হালৈৰ
# বাসন্তী



ফাগুনৰ পহিলাজাক ধূলিয়াৰীয়ে
খবৰটো দি গ'ল
মাতাল ফাগুনৰ মন জুৰাবলে
তুমি হেনো আহিবা!

তুমি আহিলা বাসন্তী
সূৰ্য থকালৈ তুমিতো আহিবাই
তুমিযে নিয়ত বাসন্তী
বসুন্ধৰাক ৰাখিবা জীয়াই।





## ৰশ্মি কলিতাৰ
# শূন্য

এটা দুটা কিমানটা চাহপাত তুলিও চামেলিয়ে আজিলৈ নাজানে
চাহপাতৰ পেকেটটোৰ দামত কিমানটা শূন্য থাকে।

### চেৰিনা বেগমৰ

## ফাগুনৰ শেষত

সিদিনাও ফাগুন আহিছিল এই বাটেৰে... নীৰস, নিষ্প্ৰাণ। ৰঙা মদাৰ ফুলিছিল, ইপিনে মেনকাৰ কঁপালৰ ৰঙা বেলিটি ডুব গৈছিল। ধীৰে ধীৰে নঙঠা ডালত ন-ৰঙে যেনেকৈ হাঁহে, মেনকাৰ শৰীৰৰ ওজনো তেনেকৈয়ে বাঢ়ি আহে। নীৰস, নিষ্প্ৰাণ অতীতৰ বুকুতে কুঁহিপাতে পোখা মেলে, পুত্ৰ বসন্তৰ জন্মই তাইৰ মনতো জীৱন জীয়াৰ ন-হেঁপাহ জগালে।





### নুৰুল আমিনৰ

## ফাগুনৰ কাষলতিত টেঙাফুল ফুলিছে

ফাগুনৰ কাষলতিত টেঙাফুল ফুলিছে
বতাহৰ বা-তে উঠি
জেতুকী জুইকুৰাই যাওঁ যাওঁ কৰিছে

সময়ৰ সৰাপাত বাটত পৰি আছে
জুই বিয়পিব চাবি

ঢোলত চাপৰ পৰি আছে
ধুমুহা আহিব চাবি

ফাগুনক বুকুত লৈ
নিজকো সলাব পাৰি।





### বেনজিন চুলতানাৰ

## বন্ধনৰ শিকলিত ৰঙালীৰ ৰহণ

বিহু নাচিবলৈ পদূলিৰে ওলাই যোৱা তাইৰ সমনীয়া ডেকা-গাভৰুৰ দলটো দেখি তাই ৰ' লাগি চাই থাকিল— "কিমান যে ৰঙীন ইহঁতৰ জীৱনবোৰ! সমনীয়াৰ লগত নিজৰ ইচ্ছামতে ঘৰৰ পৰা ওলাই যাবলৈ পাৰিছে। তাত কোনো বাধা-বিঘিনি নাই। হেঁপাহৰ ৰঙালী বিহুটি হাঁহি-স্ফূৰ্তিৰে উদ্‌যাপন কৰিব পাৰিছে। আৰ্থিক অভাৱ থাকিলেও ইহঁতৰ জীৱনত স্বাধীনতাৰ অভাৱ নাই। ইহঁত পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত। ইহঁত উন্মুক্ত বিহঙ্গ। তাইৰো জীৱনটো যদি এনেকুৱা হ'লহেঁতেন।" অভাৱেই আৱিষ্কাৰৰ মূল— কথাষাৰ তাইৰ জীৱনত প্ৰযোজ্য নহ'ল। স্বাধীনতাৰ অভাৱে গ্ৰাস কৰি পেলোৱা তাইৰ জীৱনৰ ৰংবোৰে জানো আৱিষ্কাৰ কৰিব পাৰিলে জানো সাতোৰঙী ইন্দ্ৰধেনু। স্বাধীনতাৰ অপেক্ষাত পাৰ হৈ গ'ল তাইৰ স্কুলীয়া, কলেজীয়া জীৱনছোৱা। এতিয়া চাওঁতে চাওঁতে বিশ্ববিদ্যালয়ৰ জীৱনছোৱাও পাৰ হ'বলৈ ধৰিছে। তথাপিও এতিয়ালৈ স্বাধীনতাই তাইৰ জীৱনত টুকুৰিওৱা নাই। পৰিয়ালৰ বাধা — "অমুকটো নকৰিবি, তমুকটো নকৰিবি; ছোৱালী হয়, এইফালে নাযাবি, সেইফালে নাযাবি।" আৰু কত যে কি! আদৰ্শ জীয়ৰী হোৱাৰ স্বাৰ্থত তাই মাক-দেউতাকক অমান্য কৰিব নোৱাৰে অথবা ওলোটাই প্ৰশ্ন নকৰে। ছোৱালী হোৱাৰ বাবে ইমান বাধা নে একমাত্ৰ সন্তান হোৱা বাবে তাই ভাবি নাপায়। অথচ তাইৰ





### জোনাক প্ৰিয়ম কাশ্যপৰ

## অথবা

কান্দিব খোজা মেঘক মোৰ ভয় লাগে
অথবা তুমি কব পাৰা
মই বেয়া পাওঁ বৰষুণ
পোহৰ ভালপোৱা মানুহক সুধি চোৱা
কিয় ভয় লাগে এন্ধাৰ
আহা, আমি নদীয়েদি উজাই গৈ
পাহাৰৰ বুকুত ঘৰ সাজোঁ
অথবা পলাই যাওঁ
নেদেখা ঈশ্বৰৰ ঠিকনা বিচাৰি।

## হাত

এদিন তেওঁ
এগৰাকী মহিলাৰ জঁকা হেন
কৃষ্ণাংগ হাত এখনলৈ আঙুলিয়াই
সুধিছিল, "তুমি কেনেকুৱা হাত বিচৰা?"
মই তেওঁৰ হাতখনলৈ চাইছিলোঁ
— দীঘল নখেৰে সেই হাত
কৈছিলো, "বিশ্বাসৰ হাতখন সবাতোকৈ ধুনীয়া।"

## ফাৰুকুদ্দিন আহমেদৰ
## বসন্ত সমীপেষু



তুমি দিয়া বাঁহীটি লিৰিকি-বিদাৰি থাকোঁতে
বাঁহীৰ সুৰত কঁপি উঠে
মোৰ পদূলিৰ গোলাপৰ পাহি
মই ভালে আছোঁ দিয়া, তুমিও থাকিবা হাঁহি।





সমনীয়াবোৰ আজি স্বাধীন। তাইও বিচাৰে দূৰ-দিগন্তত পাখি মেলি উৰিবলৈ। দুবাহু মেলি মুক্তমনে জীৱনটোক আদৰিবলৈ। কেতিয়াবা চিৰিয়াখানাৰ জন্তুৰ দৰে অনুভৱ হয় তাইৰ জীৱনটো। যি অন্ন অথবা দৰিদ্ৰতাৰ অভাৱত বন্দী নহয়, বন্দী মাথোঁ স্বাধীনতাৰ অভাৱত।

সঁচাই উৎসৱ সকলোৰে বাবে একে নহয়। উৎসৱত যদি কোনোবাই আৰ্থিক অভাৱত জৰ্জৰিত, কোনোবাই স্বাধীনতাৰ অভাৱত পীড়িত। মুঠতে ৰঙালীও হৈ পৰিব পাৰে কেতিয়াবা ৰঙহীন ৰামধেনু। তেনেতে ঢোলৰ তীব্ৰ শব্দ তাইৰ কাণত বাজিবলৈ ধৰিলে। ঢোলৰ মাতত তাই দৌৰ মাৰি চোতাললৈ ওলাই আহি বিহু দলটোৰ লগতে হেঁপাহ পলুৱাই নাচিলে। বাৰান্দাত বহি থকা মাক-দেউতাকে একেথৰে চাই ৰ'ল। তেওঁলোকৰ মনৰ দুৱাৰত থকা অদৃশ্য হেঙাৰডাল যেন বিহু দলটোৱে আঁতৰাই দিলে। মন মাৰি থকা জীয়েকে নচা দেখি দুয়ো দুয়োৰে চকুলৈ চাই মিচিকিয়াই হাঁহিলে। মাকেও এপাক নাচিলে। ওঠৰ বছৰতে বিয়াত বহা দিন ধৰি তেওঁ নচা নাছিল। আজি যেন ভাঙি দিলে পৰাধীনতাৰ হেঙাৰ।





## ডেইজী কাকতিৰ
## সংগ্ৰাম

যেতিয়া কেতেকীজনীৰ মাতত
এন্ধাৰবোৰ হেৰাই যায় লাহে লাহে
আৱেগেৰে প্লাৱিত মনটোৱে সংগ্ৰাম খেদি ফুৰে।
জীয়াই থকা মানুহবোৰৰ আৰ্তনাদৰ বাবেই
আলিবাটেৰে অহনিৰ্শে অহা-যোৱা
কাৰ নিৰ্দেশত হয় মৃত্যু?





## হিমাদ্ৰী ডেকাৰ
## বসন্তৰ প্ৰেমিকা

আঠ বছৰ প্ৰেমৰ অন্তত বিয়াৰ দিনা দৰাই শ্ৰেয়াক এৰি যোৱাৰ পাছতো তাইৰ বসন্ত প্ৰিয়। শ্ৰেয়াই নানা লাঞ্ছনা সহিও ভাগি পৰা নাই কেৱল এটাই আশাত যে বসন্তই যেনেকৈ সকলোৰে জীৱনত নতুনত্ব আনে তাইৰ জীৱনলৈও প্ৰেমক আকৌ উভতাই আনিব।

মাতি ব'হাগ অহাৰ বতৰা দিছে। মাকে মন্দিৰাক ক'লে— “আজিকালিও বসন্ত আহে, ব'হাগ আহে, কুলিয়েও মাতে কিন্তু হেঁপাহৰ গামোচাখন কোনেও নবয়। উঘা-চেৰেকী গাঁৱত পাবলৈ নোহোৱা হ'ল, জীয়ৰী-বোৱাৰীয়ে এইবোৰ চিনি নাপায়, তাঁত বাতি কাঢ়িব নাজানে। নিজে বোৱা গামোচাখনত যে কত মনৰ আবেগ ঢালি দিয়া থাকে— চাৰিআলিৰ দোকানৰ পৰা কিনি অনা ভেবেলা-ভেবেলি ফুলৰ গা মচিব নোৱাৰা গামোচাখনে জানো মনলৈ ব'হাগ আদৰি আনিব পাৰে! পিছে কৰিমনো কি? তাকে আনিছোঁ, লগত ভি-মাৰ্টৰ পৰা অনা চাৰ্ট।”

মন্দিৰাই লাহেকৈ ক'লে— “হ'ব দে ফাগুনৰ পচোৱাই এতিয়াও বসন্ত আনে, চ'তৰ বৰষুণে গছ-বিৰিখত কুঁহিপাত আনে, ঘৰৰ জেতুকা গছজোপা বৰষুণ পৰাৰ পাছত সদ্যস্নাতা বোৱাৰীৰ দৰে সেউজীয়া হৈ উঠে। কিন্তু এতিয়া কোনেও পটাত বতি জেতুকা নলয়। শংকু আকৃতিৰ পেকেটত পোৱা মেহেন্দীৰে হাতত আঁকি লোৱা ফুলৰ চানেকীৰেহে এতিয়াৰ ব'হাগক আদৰোঁ। দেহত নাহিলেও মনত এতিয়াও ব'হাগ আহে।”





**ধনজিৎ শৰ্মাৰ**

## শুকান পাত

নদীৰ সোঁতত ধৰাশায়ী
স্থবিৰতা বিহীন মোৰ জীৱন
য'ত নাছিল তোমাৰ মৰম
তুমিতো আছিলা মোৰ পদূলিৰ
চিকমিকাই থকা ফুল পাহ
আৰু
মই তল সৰা শুকান পাত
নতুনক আদৰিবলৈ তোমাৰ ছাঁত
শুই পৰিছিলোঁ।





**ৰীণা ডেকাৰ**

## দেহত নাহিলেও মনত এতিয়াও ব'হাগ আহে

ফাগুনৰ বতাহজাকে অ'ৰ-ত'ৰ পৰা আনি সোণালী ৰঙৰ পাতেৰে লেতেৰা কৰা চোতালখন সাৰি সাৰি মাকে ডাঙৰ ডাঙৰকৈ জীয়েকক কৈ আছে —“ফাগুনৰ আৰু চাৰি দিনমান হে আছে। বিহুৰ আগতে লগোৱা মেখেলাকেইখন সোনকালে কাটিব লাগে। বিহু বুলি আলহী-অতিথিৰ আহ-যাহ, বিয়া-সবাহ আদিৰ ব্যস্ততাত কেনেকৈয়ে মাঘৰ মাহটো পাৰ হৈ গ'ল ক'বই নোৱাৰিলোঁ। মাজতে এটা মাহহে। অহা সপ্তাহত গামোচা কাটি কাঢ়িব নোৱাৰিলে বিহুৰ আগতে নোলাবই দেখোন।” যেন ফাগুনৰ পচোৱাজাকেহে মাকক মনত পেলাই দিলে বসন্তৰ আগমনৰ কথা। চোতাল সাৰি হাত-মুখ ধুই উঠি মাকে মন্দিৰাৰ দেউতাকক ক'লে— “কাইলৈ চাৰিআলিৰ পৰা ছয় মুঠা গামোচাৰ বগা সূতা আৰু দুই মুঠা আঁচুসূতা লৈ আহিব।” দেউতাকে হা-না একো নক'লে যদিও চকুৰ চাৱনিতে মাকে বুজিলে যে মৰমৰ মানুহজনীয়ে বৈ দিয়া গামোচা এখন বিহুৰ দিনা গা ধুই উঠি গাত ল'ব তেওঁ আশা কৰে। দেউতাকে জানে প্ৰতিবছৰে ব'হাগ বিহুত মন্দিৰাৰ মাকে ভাগিনীয়েকহঁতক, জোঁৱাইয়েকহঁতক একোখনকৈ গামোচা





**ৰ'দালি চেতিয়াৰ**

## ভালপোৱা

মই জানো
এদিন সকলো হেৰুৱাই
সকলো এৰি থৈ
নিঃস্ব হৈ
তুমি মোলৈকে উভতি আহিবা

সিক্ত দুচকুৰে তুমি ক'বা
“মোৰ ভুল!”
তোমাৰ ৰিক্ত দুহাতত
তুলি দিম
এমুঠি বকুল

পৃথিৱীৰ সমস্ত পৱিত্ৰতাৰে
তুমি মোক ক'বা — “ভাল পাওঁ!”
বুকুৰ সমস্ত আকুলতাৰে
মই ক'ম—
“ব'লা, হেৰাই যাওঁ!”

লিজা তালুকদাৰৰ

## বসন্ত-কথা

দুপৰৰ শেষ ৰ'দলৈ শূন্যতাত উৰি থাকে
চকুপানীত পোত নোযোৱা কত ধূলি!

চকুত বেলি ডুবাৰে পৰা
গৰখীয়া বাঁহীৰ সুৰত
প্ৰতিটো নিৰ্ভুল ঋতুক নিচুকাব পৰা নাই।
( তাৰ পাছত সকলো গছ লঠঙা)

এদিন দুপৰ নিশা মই শুনো
পদূলিত ঢোলৰ চেঁও
পিছদিনা মোৰ দুহাতত ৰং
প্ৰাৰ্থনাৰ নে ভালপোৱাৰ?





দিয়েই। ভায়েকহঁতলৈও বৰ হেঁপাহৰে সাঁচি থয়। পাছদিনা দেউতাকে সূতা আনি টেবুলৰ ওপৰত থৈ মন্দিৰাক ক'লে— "মায়েৰাক সূতা অনা বুলি কবি।" মন্দিৰাই মাকক জনোৱাৰ লগে লগেই মাকে ক'লে— "এইবাৰ গামোচাৰ পুতল বেছি নিদিওঁ, মাত্ৰ আঠোটা উঘাত সূতা ল'লেই হ'ব। চেৰেকী দুয়োটাই উলিয়াব লাগিব। তেতিয়া দুয়ো সূতা ল'ব পাৰিম। নতুন মানুহ এঘৰ আহিব, কেইজনমান বা আহে— গামোচাৰ পাৰিটো মালতীহঁতৰ দৰেকৈ দিব লাগিব। প্ৰতিখনতে ফুল বাচিব লাগিব।" কথাখিনি শুনি থাকোতে মন্দিৰাই যেন অনুভৱ কৰিলে অবুজ মাদকতা। এয়েই নেকি বসন্ত, এয়াই নেকি ব'হাগৰ আগমন। আইতাকে মিহি ফুল বচা চেৰীৰে পুৰণি গামোচাৰ ফুলৰ চানেকি আগত লৈ এক কণি, দুই কণিকৈ গণি গণি ফুল বাচিব শিকাইছিল। এতিয়া মন্দিৰাই ফুল বাচি থাকে, মাকে শালখনৰ সিমূৰে থিয় দি ফুলৰ পাক ওলোটাই দি থাকে— কাষৰ ৰেডিঅ'টোত বাজি থাকে— "ঐ জান ঐ, হেঁপাহৰে বৈছিলোঁ তোমালৈ মৰমৰ...।" দুয়োজনীৰে মনৰ মাজত ব'হাগৰ আগমন ঘটিলেই, বসন্তৰ বা লাগি দুয়োৰে দেহ-মন পুলকিত।


আজি ত্ৰিশ বছৰ পাছত আকৌ তেনে এটি ব'হাগ। মন্দিৰাৰ ছোৱালী মিম্পিৰ বিয়াৰ দিন-বাৰ কৰিবৰ বাবে মৃন্ময়ৰ ঘৰৰ মানুহকেইজনমান আহিব। মন্দিৰাই মাক-দেউতাকক মাতি পঠিয়াইছিল। তেওঁলোক আহি পাইছে। ঘৰৰ কাষৰ গছজোপাত নিজৰ ক'লা গাটো ঢাকি কুলি এজনীয়ে কুউ কুউ বুলি





ড° ববিতা দাসৰ

## ওভতনি সুৰ



এজাক বৰযুণে
চোতালৰ ধূলিবোৰ চিকুণাই গ'ল—
ফিৰফিৰিয়া বতাহজাকেও
কাণে কাণে জনাই থৈ গ'ল
অনুভৱত ব'হাগ আহিল!

হেৰুৱা সুৰবোৰ বিচাৰি
পথাৰখনে উচুপিছে,
চহাই-মৈয়াই সোণফলা সীৰলু
কোনেও আঁকি নিদিয়ে বুলি!

আইতাৰ তাঁতশালখন নাচনী গৰকাৰ
হুমুনিয়াহত গধুৰ।





প্ৰিয়ংকা কাকতিৰ

## কথোপকথন

"বুজিছে ছাৰ, আমাৰ একাডেমীৰ প্ৰতিজন ছাত্ৰই ভাল ফলাফল কৰিব।" কথাষাৰ শুনি বোৰ্ডৰ বিষয়াজনে তাচ্ছিল্যৰ সুৰত বাণ এৰিলে— "এৰা, এই সফলতাৰ মূল নায়কজনক নাপাহৰিব।"

— "আচলতে আমি বাধ্য নকৰালে আপোনালোকেনো ক'ৰ পৰা ছাত্ৰ-ছাত্ৰী পালেহেঁতেন" বুলি গৌৰৱেৰে চৰকাৰী বিষয়াজনে চাহত চুমুক দিলে।

ঃ বেলি মাৰ যোৱাৰ আগতে পালোহি। তোক বিচাৰি গৈছিলোঁ। নৈৰ পাৰলৈ। জানক পালোঁ, তই হেনো উভটিলিয়েই।

ঃ অ' আকৌ, তোলৈ ইমান পৰ ৰ'লো। নাহিবি বুলিয়েই ভাবিছিলোঁ।

ঃ কাইলৈ ওলাই থাকিবি সন্ধিয়া। মই ৰ'বলৈ নাই কিন্তু।

ঃ হ'ব হ'ব। ময়ে ৰৈ থাকোঁ বছৰটো, তাৰে আকৌ এতিয়া বৰ কথা।

ঃ হ'ব দে এতিয়া গৈ থাকোঁ, আন্ধাৰ হ'বৰ হ'ল।

চাইকেল ঘূৰাই সি গৈ থাকিল। নেদেখা হোৱালৈকে সি গাই যোৱা গানটো বাজি ৰ'ল তাইৰ কাণত।





**মদন চন্দ্ৰ ডেকাৰ**

## বসন্তৰ ধেমালি

দোকমোকালি, তুমি যে কৈছিলা এদিন
বসন্ত আহিলে ধেমালি কৰিম বুলি,
কুলি-কেতেকীয়ে মাতিব লাগিছে
বসন্তৰ বা-লাগি কুঁহিপাতেও নাচিব ধৰিছে,
তুমিও আহিবা নতুন সাজেৰে এপাক নাচিম বুলি
আমাৰ কলেজতো হেনো হ'ব বসন্তৰ ধেমালি!
কোনোবাই কবিতা লিখিব, কোনোবাই গল্প ক'ব;
একেলগে শুনিম আমি, তুমিও আহিবা দোকমোকালি
বসন্তৰ ৰং সানি অলপ ধেমালি কৰিম বুলি।
এইখন এখন ফুলনি অতি সুন্দৰ
ছাত্ৰ-ছাত্ৰী ৰূপেৰে ফুলবোৰ ফুলিছে নানা ৰঙে
কি যে সুমধুৰ ভোমোৰা আৰু মৌ-মাখিৰ গুণগুণনি
এই ফুলৰেই বীজবোৰে এদিন পূৰ্ণতা পাব
আকৌ মেলিব গজালি,
সিঁচৰতি হওক যেন গোটেই জগতজুৰি
তাৰেই আশাৰে কৰোঁ আহা বসন্তৰ ধেমালি।





**ড° খগেশ সেন ডেকাৰ**

## লিমাৰিক

(১)

চাহাবগণে মেলিছিল বৰবিহ কানি
গাঁও-ভূঁই চহৰ-নগৰ ধৰিছিল চানি
চাহাবহঁতৰ আন জাত
নিজ ৰজাৰ একে বাট
গড়মাৰ্কা খালে হেনো নহয় একো হানি।

(২)

ছবছৰীয়া ৰণখন ধোঁৱা চাঙত তুলি
নেতাবোৰ ৰজা হ'ল উৰাই বাটৰ ধূলি
গছত কঁঠাল ওঁঠত তেল
কূটনীতিৰ পাশা খেল
বিয়াগোম গোল্লা এটা হাতে লোৱা তুলি।

(৩)

পেটত লৈ দেশীবিধ সোমৰসৰ পানী
ৰসেশ্বৰৰ মুখে ফুটে অমৃতৰ বাণী
দিনে পোহৰে যেন তেন
ৰাতি হ'লে ৰজা যেন
বেধুম গালি নলাটোক কি নিলি টানি।





**জ্ঞানপ্ৰতীম দেৱ শৰ্মাৰ**

## বসন্ত-বেথা

(ক)

ময়েইতো বসন্ত আছিলোঁ
এতিয়া মই নাই
পিছে এতিয়াও ফুল ফুলে
ৰ'দে হাঁহে
খোজবোৰ খোজৰ বাটেই পৰে

(খ)

এন্ধাৰবোৰ সামৰি ইয়াতে ৰাখিছোঁ
দুৱাৰ নুখুলিব
বাহিৰৰ আকাশখন পোহৰ হৈ থাকক।

## আমিনুল হকৰ
# কাশ্মীৰ



তুমিতো জানাই
আমেৰিকা মোৰ সপোন নহয়।

পাৰা যদি মোক কাশ্মীৰলৈ লৈ ব'লা,
মই জানিব বিচাৰোঁ
কাশ্মীৰৰ ধুনীয়া নাৰীৰ হাতত
গোলাপৰ সলনি কোনে তুলি দিলে শিলৰ টুকুৰা।





## তৃষ্ণা দাসৰ
# বসন্তৰ কথা-অকথা

তগৰ ফুলিবনে এইবেলি। জাক-জাক ঢুলীয়াৰ মাজত থাকিব সি। মৰমতে অনা চূণ সনা তামোলখন পাৰিম জানো দিবলৈ?

চেহঃ সি বা আহিবনে নাই! ডাকোৱালো নাহিল।

মনতে পাগুলিয়াই পাগুলিয়াই চেনেহী ছাগলী পোৱালীটো কোলাত লৈ ঘৰমুৱা চৰাইজনীৰ দৰে তাই অস্তবেলিৰ হেঙুলী আভাত নেদেখা হ'ল। গোঁসাই চাকি জ্বলাই ধূনাৰ গছাখন বাটলৈ বুলি লৈ যাওঁতে পদূলিত চাইকেলৰ টিলিঙা টিলিঙ শব্দ। ঢপলিয়াই গ'ল তাই।

মৰমৰ চেনাইয়ে মুগা সূতাৰ ৰিহা এখন তাইৰ হাতত গুজি দিলে।

ঃ জাপৰ ভাঁজত চিঠি এখনো আছে। আৰু একো নহ'ল আনিবলৈ। কাইলৈ আহিবি নামঘৰলৈ। বিহুৰ প্ৰথম আখৰা।

ঃ ৰহচোন যাৱইনে! কেতিয়াকৈনো আহিলি?





## তৃষ্ণা দত্তৰ
# আয়োজন

এইবেলি মোলৈ এপাহ কেতেকী আনিবি;
ৰ'দে পোৱা বুকুখন গৰকি
জেতুকাৰে বোলাবি দেওলগা জাৰণি।
মুগাৰ কেচ বচা ৰিহাখনিত, গুজি দিবি এটি কলি মেলা সপোন।
মেখেলাৰে জপতিয়াই ধৰিম
বৰষুণজাকৰ উম।
চ'তৰ সুবাসত মতলীয়া
গা-ভাৰী ৰ'দেৰেই
তোলৈ বোৱা বিহুৱানখনিত ফুল বাচিছোঁ।

চতিয়ানা জোপাৰ তলেৰে বাট পোনাবি;
চেনাই, তই পলম নকৰিবি।





## ড° নৃপেন্দ্ৰ নাথ তালুকদাৰৰ
# ফাগুনী পলাশ

পলাশৰ ৰং ফাগুনে আনিলে
মতলীয়া ফাগুনৰ বা
ফাগুনৰ পছোৱাই গা জুৰ পেলালে
কাষতে পলাশক পাই।
ফাগুনৰ পথাৰত কি জুই লাগিছে
চিৰাচিৰি বুকুখন
চিৰি লুইততে কি বা বলিছে
ঘৰটো নবহে মন।

মিচিকয়া হাঁহিটি পলাশে মাৰিলে
ওৰণিখন গুচাই থৈ
আলসুৱা কলিটি জকমকাই ফুলিছে
ফাগুনৰ সুবাস পাই।
ফাগুনী পলাশ ৰূপেৰে ভৰপূৰ
বন গীত এফাঁকি গা
বননিৰ মাজতে সুহুৰি মাৰিলে
গাত যৌৱনৰ বা।

### পৰাগ শৰ্মাৰ
## ব'হাগ

ব'হাগ বুলিলেই যৌৱনৰ উছাহ
সাঁচতীয়া সপোনত
দিঠকৰ বাট বিচাৰি পোৱা
এটি যেন বাখৰুৱা কবিতা
ব'হাগ এমুঠি জোনাক
সৃষ্টিৰ চেতনা প্ৰৱাহ।





### প্লাৱিতা দাসৰ
## ব'হাগৰ ৰং

খিৰিকিৰ ফাঁকেৰে ৰ'দ এচেৰেঙা পৰিছেহি
লঠঙা গছত আকৌ সপোনৰ ফুল
জেতুকাৰ সেউজীয়া প্ৰেমৰ ৰং
কোনে কাক দিব আনি ব'হাগৰ বতৰা
বৰদৈচিলা হে মোৰ বুকুৰ মাজলৈ





### নিপজ্যোতি ডেকাৰ
## এব'হাগ প্ৰেম

মেল খোৱা এটি সুখৰ খাম

বৰদৈচিলা হে মোৰ মনে
উৰি গৈ কাষতে পৰে

সেওঁতাত বৰফৰ ভিৰ
তথাপিও
মোৰ অতীত-বৰ্তমান সামৰি
থূপ খাই থাকে
কপৌবুলীয়া সংলাপ





### নিদুস্মিতা ডেকাৰ
## বসন্তৰ প্ৰস্তাৱ

মোৰ বিষণ্ণতাৰ বতাহজাক
তোমালৈ কাহানিও বলিব নালাগে
মইতো স্বভাৱতে বিকৃত
পাৰিম ময়ো প্ৰত্যাহাৰ কৰিব
সমীৰে মোলৈ কঢ়িয়াই অনা বসন্তৰ প্ৰস্তাৱ।

অপূৰ্ব শৰ্মাৰ

## ফাগুন আহিলে তেওঁ শিপাই মোৰ বুকুত

ৰঙা বেলিত হিচাপ কৰোঁ
ফাগুন অহাৰ বাট
তেওঁ আজি নাই!
অথচ ফাগুন আহিলেই
তেওঁ শিপাই মোৰ বুকুত







ৰিছা দাসৰ

## বসন্ত

ফাগুনৰ পাত সৰা লঠঙা গছজুপিক লাগে
বসন্তৰ বৰষা, সেউজী সুগন্ধ
ব'হাগৰ বোকোচাত এতিয়া
বসন্তৰ ৰং, কুলি-কেতেকীৰ মাত
ঢোল-পেঁপাৰ মাতে ৰজনজনোৱা
পথাৰত ভৰি পৰিব আশাৰ বিহুনাম।





চন্দ্ৰামিতা কলিতাৰ

## বসন্তৰ গান

কৃষ্ণচূড়াৰ ৰঙাৰে ৰঙীন এটি সন্ধিয়া
তুমি আৰু মই ৰচিছিলোঁ
এক হোৱাৰ কবিতা,
পলাশবোৰে মিচিকিয়াই হাঁহিছিল-
আৰু বৰষুণৰ টোপালবোৰৰ মাজত
বৈ আহিছিল বসন্তৰ গান।







ড° বিপুল ডেকাৰ

## সপোন

তুমি এজাক বতাহ হৈ
মোক চুই যোৱা
মই সাগৰৰ ঢৌ হৈ
আকাশৰ নীলা ভেদিম।

অনন্ত ব্যাপ্ত সাগৰৰ বিশালতা
মোৰ বুকুত থিতাপি লওঁক,
সমুজ্জ্বল জেউতিৰ টোপ টোপ নিয়ৰে
সমুখৰ কুঁৱলী ভেদি
মোৰ দেহা তিয়াই পেলাওঁক।



তুমি এখন নদী হোৱা
মই চাতক চৰাই হৈ
আজীৱন তোমাক বিচাৰিম।

### চুমি কলিতাৰ

## ভালপোৱা

মৰিবলৈ ধৰা গছ এজোপা হঠাৎ জী উঠাৰ দৰেই
তেওঁৰ আগমনে শিপাই যায় জীৱন।
হৃদয়, ভালপোৱা স্বাধীন বুলি জানিও
স্বেচ্ছাই মুক্ত কৰি দিয়ো
ক'ৰবাত তেওঁ স্বাধীনতাৰ দৰে
ভালপোৱা দিব নোৱাৰাত
মই অক্ষম।

ভালপোৱাৰ পথত
ক'ৰবাত 'মোৰ বাবেও অলপ' বিচৰাত
মই চাগে অক্ষম
প্ৰান্তত জীৱনৰ আলিকেঁকুৰিত বৈ প্ৰাৰ্থনা
আইৰ মমতাৰ সমান সুখী হওক তেওঁ





### স্বৰ্ণময়ী নাথৰ

## পদূলিমুখত ব'হাগ

ইপাৰে ৰ'দৰ ফুল
নাম তাৰ সূৰ্যমুখী
সিপাৰে ব'হাগ নে ফাগুন!
সোধা নহ'ল বতাহজাকক।
ফাগুন হ'লে নালাগে আহিব,
দুভৰিত এতিয়া জেতুকাবুলীয়া খোজ-
চিকুণাই ৰখা পদূলিত-
ব'হাগৰহে গুণা-গঁথা।

ধূলিৰ দলিচাত বৰষুণ ছটিয়াই-
সেই একেটি বাটেৰেই ব'হাগ আহে
যি বাটে ফাগুন আহে।
ন-কুঁহিপাতৰ ন-সাজেৰে
ব'হাগে প্ৰতিশ্ৰুতি দিয়ে,
ফাগুনে ভাঙে।

ফাগুন বুলি জানো ভুল কৰা যায়
ব'হাগৰ প্ৰথমজাক বৰষুণক!
ব'হাগ বুলিও যে খামুচি ধৰিব নোৱাৰি-
ফাগুনৰ বলিয়া বতাহজাকক...!





### হৃদয়ানন্দ কলিতাৰ

## ধেমালিবোৰ যদি


কিমান শুকান হ'লে,
মনলৈ বিষাদ নামে
এবাৰ ফাগুনক সুধিবা।
যদিওবা এই ফাগুনে!
আকাশ ধিয়াই লিখে
শিমলু-মদাৰৰ কত ৰঙীন কবিতা।
নষ্ট ফাগুন, কষ্ট হৃদয়ৰ
ছবি মাথোঁ বিষাদৰ
চকুলো কেৱল আৱেগৰ।
আকৌ আহিছে ব'হাগ
তগৰৰ সুবাস লৈ,
জানোছা বৰ্ষা মেঘৰ গাজনিয়ে
স্নান কৰিব বসন্তৰ ধেমালিবোৰ...





### ড° দীপক কোঁৱৰৰ

## কোন পিনে ব'হাগ



ফাগুনৰ পছোৱাই উৰুৱাই নিয়া
শুকান পাতৰ স'তে
উৰি যায় মোৰ উৰণীয়া মন।
চ'ত বাৰু সোমাবৰ হ'ল নে নৌ
ঢোলৰ বৰতি কেইডাল
এবাৰ টানি চাব লাগিব
টেমেকা কেইটাবা কেনে আছে!
শুনিছোঁ, আজিকালি
ঢোলতকৈ টেমেকাৰহে হেনো বেছি মাত।
ঢোলৰ চেওঁকেইটা
আওৰাই চালোঁ।

ওহোঁ! এইবোৰ চেওঁ হেনো
পুৰণিয়েই হ'ল।
নতুন চেওঁবোৰ শিকিব লাগিব
চকুৰ পচাৰতে শিকাবলৈ
শিকাওতাৰো অভাৱ নাই
এটাই মাথোঁ চৰ্ত—
বিক্ৰী কৰা
মগজু, আৱেগ আৰু আত্মসন্মান।

### ঋষভ ৰঞ্জন দাসৰ

## মোক ভাল পাই পেলোৱা

সুযোগ থাকোঁতেই মোক ভাল পাই পেলোৱা
পিছলৈ কি ঠিক!
কিজানিবা মই আৰু আন কাৰোবাক ভালপাই পেলাওঁ।

হয়, তোমাকেই কৈছোঁ
সময় থাকোতেই
তুমি মোক
আৰু
মই তোমাক
ভালপাই পেলাওঁ।

মুঠৰ ওপৰত সুযোগ বুজি
ভালপাই পেলোৱা মোক
নহ'লে
এই পৃথিৱীত
তুমি এজনীয়ে
নাই কেৱল...





### পুষ্পেন্দ্ৰ কুমাৰ শৰ্ম্মাৰ

## ময়েইতো ব'হাগ

সৌ-সিদিনা ফাগুনৰ স'তে মুখামুখি হৈছিলোহেঃ
লঠঙা গছ জোপাই সুধিলে— তুমি কোন?
মই ধুমুহা, বৰষুণ, উদ্ভাসিত সেউজ।
মৰহা ডালে ডালে কণিওৱা কুঁহি-কোমল পাত
ময়েইতো তাৰ প্ৰাণ-প্ৰতিজ্ঞা।
মুক্তা-মণ্ডিত মোৰ দুহাতেৰে সজোৱা
নয়নাভিৰাম বিস্তীৰ্ণ শ্যামলী শোভা
টলমল ৰৌদ্ৰোজ্জ্বল অম্লান প্ৰভা।
বাসন্তীৰ লাৱনী দুহাতত অনুপম আল্পনা
নানা ৰঙী কুসুম তিলক কঁপালত জিলিকা

ময়েইতো সেই ব'হাগ
বিৰিণা পাতত বাজি ৰোৱা
গুণ গুণ এটি গান সুৰদী সুৰীয়া
নাচনী জিৰোৱা নাহৰৰ নিৰিবিলি ছাঁ।





### ইপ্সিতা উপাসনাৰ

## পুনৰ জনম

জোৰকৈ দুচকু মেলি, অৱসাদৰ চৈ ধৰি
কবিতাৰ আলিবোৰ বন্ধাৰ চেষ্টা চলিছিল
জহি-খহি পৰা চেতনা এটাৰ পৰা
নিৰ্বাক পৰী এজনীক তুলি আনি
শিলিখা গছত ওলোমাই দিয়া হৈছিল,

কোনোৱে কৈছিল শেষ নিশাৰ ডাইনী মৰা
লুকুৱাই লুকুৱাই ৰামধেনু আঁকা এজনে নাম দিছিল
'পুৱতি তৰা'।





### মানস প্ৰতিম বৰুৱাৰ

## বসন্ত

সৰাপাতত মৰুদৃষ্ট
ফাগুনৰ আস্তাৱল
নিজান পৰৰ অশালীন বৰষুণ
ফাগুনৰঙী হেঁপাহ লুকুৱাই
দুচকু মোহাৰি
এপিয়লা চাহৰ স'তে বসন্ত।

### ডণীশ্ৰী নাথৰ

## জীৱনৰ দলিচা

কঁকাল খামোচীয়া
কঁহুৱাৰ চাৱনিটোৰে
নৈখনে কয়
দুখৰ কবিতা এৰা
আকাশলৈ চোৱা।





### সৌৰভ ৰাজ দত্তৰ

## জীৱনৰ বাট গছকি

স্মৃতিয়ে কথা কয়
কাৰ শব্দত দিনত চকা-মকা আন্ধাৰ
সময় সাঁথৰ
হাত এৰা স্বপ্ন বুকুত কঢ়িয়াই
কোন পিনে খোজ লয় জীৱনৰ ভৰ

মৌনতা সংগী
নিৰ্জনতাত ব্যৰ্থতাৰ দুৱাৰ খুলি
চকুপানী সামৰি চৌপাশে ফুটি উঠে মুখত
হেঁপাহৰ আধাপোৰা হাঁহি।





### অৰূপজ্যোতি কাকতিৰ

## স্থিৰহীনতা

নিৰ্মোহ বাসনাৰ আঁচলৰ ৰং
মোক মুক্ত কৰাৰ পৰিকল্পনাৰে সকলো দুৱাৰ
বন্ধ কৰিছিল
তেৰোঁ তেনেদৰেই মুক্ত হৈছিল
এয়া নিয়মৰ বিৰুদ্ধে যুঁজ দিয়াৰ অভিসন্ধি
আয়োজন কৰিব বিচাৰিও ক'ৰবাত
তেওঁ নিজতে হেৰাই গৈছিল
মই মাথোঁ উপঘাতৰ চকুত চকু ৰাখি আছিলোঁ





### আব্দুল মজিদৰ

## বসন্তৰ আগমন



নীল গগণৰ তলত
নতুন সুগন্ধি ফুল,

গছৰ ডালত কুলী-কেতেকীৰ
সুৰীয়া গীত
পছোৱা বতাহ আৰু মৃদু বৰষুণত
পৃথিৱী জীপাল।

এয়াই
বসন্তৰ আগমন।

**কল্পনা ভাগৱতীৰ**

## বসন্ত

নানা ৰঙৰ সমাহাৰ তুমি, নাম বসন্ত
শীতৰ বুকুত লুকাই আছিলা, আশা অনন্ত।
বৰদৈচিলাই দিলে জাননী, তুমি আহিছা বুলি
ৰ'দ জিলমিল আকাশৰ মাজতে, বতাহে উৰুৱাই ধূলি।

এতিয়াই ৰ'দ এতিয়াই বৰষুণ, কি যে বিনন্দীয়া
সেউজী আৱৰণে ঢাকিছে তোমাক, আনন্দত নধৰে হিয়া।





**কৃষ্ণামণি কলিতাৰ**

## বসন্ত

ছয়টা বসন্তৰ অন্তত
খোদিত প্ৰেমৰ বিনোদন
কত দিন কত ৰাতি
মাথোঁ অপেক্ষা
সুখৰ হাঁহিটিলৈ
আকাশ চুব নোৱাৰা সপোন
কেনি গ'ল!





**পাৰ্থ প্ৰতিম শৰ্মাৰ**

## অন্য আকাশ

বিলাসী বাহনে উৰুৱাই নিয়া ধূলিত
অদৃশ্য হোৱা অঘৰীৰ পেটৰ কুৰ-কুৰনি
চহৰীয়া কুকুৰৰ অবাঞ্চিত হাঁহি
তাৰ পিছে পিছে
সিহঁতৰ আক্ৰমণত চিঞৰি উঠা
কাৰোবাৰ তীক্ষ্ণ আৰ্তনাদ।

দেখিছোঁ সেইখনেই মহানগৰীৰ আকাশ,
শুনিছোঁ সিপাৰৰ ভাঁহি অহা শব্দবোৰ।





**ভগৱান তালুকদাৰৰ**

## প্ৰেম

ফাগুন আহিব বুলিয়েই তোমাৰ প্ৰেমত পৰা নাই
কাৰণ
ফাগুনে ছাই কৰি পেলাব
পলাশৰ কেঁচা ৰং।



